**1 (Sem–2) ASS**

**2025**

# ASSAMESE

Paper : ASS0200104

*[অসমীয়া ভাষা আৰু সাহিত্যৰ ইতিহাস*
*( ১৮২৬ চনৰ পৰা ২০০০ চনলৈ )]*

*Full Marks : 60*

Time : 2½ hours

***The figures in the margin indicate full marks for the questions.***

১। চমুকৈ উত্তৰ দিয়া ঃ ১×৮=৮

(ক) 'অৰুণোদই' কাকতখন কোন চনত প্ৰকাশ হৈছিল?

(খ) 'ৰাম-নৱমী' নাটকখনৰ নাট্যকাৰ কোন?

(গ) 'মিৰি-জীয়ৰী' উপন্যাসখন কোনটা জনগোষ্ঠীৰ আধাৰত ৰচনা কৰা হৈছে?

(ঘ) 'নিমাতী কইনা' কোন শ্ৰেণীৰ নাটক?

(ঙ) কমলাকান্ত ভট্টাচাৰ্যৰ 'জাতীয় গৌৰৱ' কবিতাটি কোনখন কবিতা পুথিৰ পৰা লোৱা হৈছে?

(চ) অসমীয়া সাহিত্যত 'প্ৰতিমাৰ খনিকৰ' বুলি কাক কোৱা হয়?

(ছ) ৰামধেনু যুগৰ এজন গল্পকাৰৰ নাম লিখা।

(জ) 'হে অৰণ্য হে মহানগৰ' কবিতাপুথিখনৰ কবি গৰাকীৰ নাম লিখা।

২। চমুকৈ উত্তৰ লিখা ঃ *(যিকোনো ছয়টা)* ২×৬=১২

(ক) অসমীয়া ভাষাৰ প্ৰথম অভিধানখনৰ নাম কি? এইখনৰ সংকলক কোন?

(খ) 'আৱাহন' কাকতখনৰ প্ৰথম সম্পাদকজনৰ নাম উল্লেখ কৰি কাকতখনৰ প্ৰকাশৰ চনটো লিখা।

(গ) হেমচন্দ্ৰ বৰুৱাৰ গদ্যৰীতিৰ *দুটা* বৈশিষ্ট্য উল্লেখ কৰা।

(ঘ) সত্যনাথ বৰাই 'জীৱনৰ অমিয়া' পাঠত কি কি দুই শ্ৰেণীৰ মানুহৰ উল্লেখ কৰিছে?

(ঙ) লক্ষ্মীনাথ বেজবৰুৱাৰ *দুখন* চুটিগল্প পুথিৰ নাম লিখা।

(চ) বিৰিঞ্চি কুমাৰ বৰুৱাই ৰচনা কৰা উপন্যাস *দুখনৰ* নাম লিখা।

(ছ) নিমাতী ক'ৰ ৰাজকুমাৰী? তেওঁৰ মুখৰ মাত কোনে উলিয়াইছিল?

(জ) নীলমণি ফুকনে কোন চনত জ্ঞানপীঠ বঁটা লাভ কৰিছিল? 'কেনে আছোঁ মোক নুসুবিধা' কবিতাটো তেওঁৰ কোনখন কাব্যগ্ৰন্থৰ অন্তৰ্গত?

(ঝ) ৰোমান্টিক কবিতাৰ *দুটা* লক্ষণ লিখা।

(ঞ) "বাৰিষাৰ ৰাতি তোমাৰ কবিক
        মনত পৰেনে, অৰুন্ধতী?
    সেমেকা পোহৰে সোঁৰৰাই দিয়া
    তোমাৰ খোপাৰ আবেলি-আবেলি গোন্ধ
        মনত পৰেন?
        অৰুন্ধতী?"

— কবিতাফাকি কোনটো কবিতাৰ পৰা লোৱা হৈছে? ইয়াৰ কবি কোন?

৩। চমু টোকা লিখা ঃ *(যিকোনো চাৰিটা)* ৫×৪=২০

(ক) ভবেন্দ্ৰনাথ শইকীয়াৰ সাহিত্যকৃতি

(খ) কথা-কবিতা

(গ) অসমীয়া সাহিত্যৰ ইতিহাসত 'অৰুণোদই' আলোচনীৰ গুৰুত্ব

(ঘ) ডান্টে আৰু বিয়েট্ৰিচৰ প্ৰেম

(ঙ) 'প্ৰকৃতি' কবিতাটোৰ মূলভাৱ

(চ) মিছনেৰীসকলৰ অৱদান

(ছ) আধুনিক অসমীয়া কবিতাৰ বৈশিষ্ট্য

(জ) কবি চন্দ্ৰকুমাৰ আগৰৱালা

৪। তলৰ *যিকোনো দুটাৰ* উত্তৰ লিখা ঃ ১০×২=২০

(ক) অসমীয়া ভাষা আৰু সাহিত্যৰ পটভূমি ৰচনাত ইয়াণ্ডাবু সন্ধিৰ গুৰুত্ব সম্পৰ্কে আলোচনা কৰা।

(খ) 'ইংলণ্ডৰ বিৱৰণ' পাঠত উল্লেখ কৰা অসমৰ দুৰৱস্থাৰ হেতু চাৰিটা কি কি বহলাই আলোচনা কৰা।

(গ) 'মিৰি-জীয়ৰী' উপন্যাসত মিচিং সমাজৰ সামাজিক চিত্ৰ কেনেদৰে প্ৰতিফলিত হৈছে, আলোচনা কৰা।

(ঘ) হেমচন্দ্ৰ বৰুৱাই 'অসমৰ স্ত্ৰীশিক্ষা' পাঠত স্ত্ৰী-শিক্ষাৰ কাৰণে আগবঢ়োৱা উপদেশবোৰৰ বিষয়ে বহলাই লিখা।

(ঙ) চৈয়দ আব্দুল মালিকৰ 'কাঠফুলা' গল্পটোৰ নামকৰণৰ তাৎপৰ্য ব্যাখ্যা কৰি মমতাজ আৰু বেদানা চৰিত্ৰ দুটাৰ বিষয়ে চমুকৈ লিখা।

---